৩ পৃষ্ঠাত ৪ পৃষ্ঠাত ১০ পৃষ্ঠাত

ভনৰ
লেকে
ৎ সেয়া
।
ৰ্জ বিলিংছ

অসম আদিত্য

RNI REG
ep
Portal
e-mail

২৪৩ ■ ২০ ভাদ, ১৯৪৮ শক ■ সোমবাৰ, ৭ ছেপ্টেম্বৰ, ২০২৬ ■ Asom Aditya, Dibrugarh, Monday, September 7, 2026 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা

জা
১০-২০
মিহলাই
ৰুচি

সুধাকণ্ঠলৈ শ্ৰদ্ধাঞ্জলি অসম আবৃত্তি-সংস্কৃতি পৰিষদৰ

ডিব্ৰুগড়, ৬ ছেপ্টেম্বৰ ঃ অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ ডিব্ৰুগড় জিলা সমিতিৰ সৌজন্যত সুধাকণ্ঠ তথা ভাৰতৰত্ন ড০ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে বৰ্ষজোৰা শ্ৰদ্ধাঞ্জলিৰ সামৰণী অনুষ্ঠানটি ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ শংকৰদেৱ প্ৰেক্ষাগৃহত আজি অনুষ্ঠিত হয়। অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি তথা মহাবিদ্যালয়খনৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই বন্তি প্ৰজ্বলন কৰি অনুষ্ঠানটোৰ শুভাৰম্ভ কৰে। সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি বিশিষ্ট সমাজকৰ্মী মানৱদৰদী ব্যক্তি জ্যোতিপ্ৰসাদ কানৈয়ে সুধাকণ্ঠলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জনাই বক্তব্য প্ৰদান কৰে। সভাত উপস্থিত থকা অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি বিশিষ্ট আবৃত্তিকাৰ বিজুমণি শইকীয়া তামুলীয়ে আবৃত্তি পৰিষদৰ বিস্তৃত কাৰ্যসূচীৰ বৰ্ণনা কৰাৰ লগতে সুধাকণ্ঠক লৈ স্ব-ৰচিত 'সপ্তস্বৰৰ এটি স্বৰ' শীৰ্ষক কবিতা আবৃত্তিৰ জৰিয়তে উপস্থিত শ্ৰোতা-দৰ্শকক মুগ্ধ কৰে। ডিব্ৰুগড় জিলা সমিতিৰ উপ-সভাপতি ক্ৰমে মৃণালী ভূঞা বৰদলৈয়ে সুধাকণ্ঠলৈ শ্ৰদ্ধাঞ্জলি জনাই বক্তব্য ৰাখে। আন এগৰাকী জিলাৰ উপ-সভাপতি বিশিষ্ট আবৃত্তিকাৰ তথা অনাতাঁৰ ঘোষক হাচান ইকবাল আহমেদে সুধাকণ্ঠলৈ শ্ৰদ্ধাঞ্জলি জনাই ব্যক্তিগত সান্নিধ্য সোঁৱৰণ কৰি পৰিৱেশটো আৱেগিক কৰি তোলাৰ লগতে সুধাকণ্ঠক লৈ ৰচিত কবিতা আবৃত্তি কৰে। ডিব্ৰুগড় জিলা সমিতিৰ প্ৰাক্তন সম্পাদক তথা আবৃত্তিকাৰ-নাট্যকৰ্মী মৃদুল শৰ্মাই আবৃত্তিৰ ব্যাকৰণিক দিশ সম্পৰ্কে গুৰুত্ব দিয়াৰ কথা ভাষণত উল্লেখ কৰে। এই অনুষ্ঠানতে অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ উদ্যোগত গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত হোৱা ৰাজ্যিকভিত্তিত একক কবিতা আবৃত্তি প্ৰতিযোগিতা আবৃত্তি মহাৰণত অংশগ্ৰহণ কৰি পুৰস্কৃত হোৱা ডিব্ৰুগড় জিলাৰ চাৰিগৰাকী প্ৰতিযোগী ক্ৰমে— চাবুৱাৰ স্পৃহা হাতীবৰুৱা, দুলীয়াজানৰ দেৱদৰ্শিনী দত্ত, অয়না সুমন কলিতা আৰু প্ৰবাহিনী গগৈক এখনিকৈ গামোচা আৰু সম্বৰ্ধনা-পত্ৰৰে আনুষ্ঠানিকভাৱে সম্বৰ্ধনা জনোৱা হয়। আৰু তেওঁলোকে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা কবিতাৰ আবৃত্তি কৰি সকলোকে আপ্লুত কৰে। প্ৰায় ডেৰশতাধিক লোক সমবেত হোৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানটোত কানৈ মহাবিদ্যালয়ৰ ছাত্ৰী ক্ৰমে ৰাজমী মৰাণে ড০ ভূপেন হাজৰিকাৰ গীত পৰিৱেশন কৰি সকলোকে মুগ্ধ কৰে। ছাত্ৰী সুৰময়ী চেতিয়াই গীত, বিপ্লৱ বুঢ়াগোহাঁয়ে কবিতা পাঠ আৰু শিৱৰাম বসুমতাৰীৰ বাঁহী পৰিৱেশনে অনুষ্ঠানটোক জীপাল কৰি তোলে। সভাপতিৰ বক্তব্যত ড০ শশীকান্ত শইকীয়াই কানৈ মহাবিদ্যালয়ত আবৃত্তি পৰিষদৰ শাখা গঠন কৰাৰ লগতে সোনকালেই এটি কৰ্মশালা অনুষ্ঠিত কৰাৰ পৰিকল্পনা অৱগত কৰে। ইতিবাচক চিন্তাৰে ভাষা সাহিত্য সংস্কৃতি চৰ্চা কৰি থাকিলেহে জাতি সুৰক্ষিত হৈ থাকিব বুলি ড০ শশীকান্ত শইকীয়াই ভাষণত উল্লেখ কৰে। সমগ্ৰ অনুষ্ঠানটিৰ আঁত ধৰে অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ ডিব্ৰুগড় জিলাৰ সম্পাদক তথা কবি বৈদ্য ব্ৰাইট বুঢ়াগোহাঁয়ে।